# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-01-2025 **Time :** 1340 Hrs.

*Assamese Midday Bulletin*

১। গণৰাজ্য দিৱসৰ পূৰ্ব সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰক সম্বোধি ভাষণ দিব।
২। গণৰাজ্য দিৱস উপলক্ষে প্ৰতিবছৰৰ দৰে এইবাৰো আকাশবাণীৰ অতি চৰ্চিত অনুষ্ঠান, সৰ্বভাষা কবি সন্মিলন আজি নিশা ১০ বজাত আকাশবাণীৰ সকলো নেটৱৰ্কৰ জৰিয়তে প্ৰচাৰ কৰা হ'ব।
৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'ৱো ছুবিয়াণ্টোই আজি নতুন দিল্লীত বৈঠকত মিলিত হৈছে।
৪। পিট হেগচেথ আমেৰিকাৰ পৰৱৰ্তী প্ৰতিৰক্ষা সচিব হ'ব।

আৰু

৫। পুৰুষ হকী ইণ্ডিয়া লীগত আজি সন্ধিয়া তামিলনাডু ড্ৰেগনচে গণাচিকা দলৰ মুখামুখি হ'ব।

৭৬ সংখ্যক গণৰাজ্য দিৱসত নতুন দিল্লীৰ কৰ্তব্য পথত কাইলৈ হ'বলগীয়া কুচকাৱাজ, প্ৰতীকপট শোভাযাত্ৰা আৰু সাংস্কৃতিক কাৰ্যসূচীসমূহ আকাশবাণী আৰু দূৰদৰ্শনে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা হ'বলগীয়া এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কযোগে প্ৰচাৰিত হোৱাৰ লগতে প্ৰচাৰ ভাৰতীৰ অ', টি.টি. প্লেটফৰ্ম **ৱে'ভ**যোগেও প্ৰচাৰিত হ'ব। প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে প্ৰকাশ কৰা অনুসৰি দূৰদৰ্শনে এই অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰৰ বাবে পোনপ্ৰথমবাৰৰ বাবে 4K কেমেৰা আৰু আন আনুসংগিক সৰঞ্জাম ব্যৱহাৰ কৰিব। ইয়াৰ ফলত এই অনুষ্ঠানৰ মান পূৰ্বৰ তুলনাত আঠ গুণ উন্নত হ'ব বুলি শ্ৰীদ্বিবেদীয়ে প্ৰকাশ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰব'ৱো ছুবিয়াণ্টোই আজি নতুন দিল্লীত বৈঠকত মিলিত হৈছে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ পুনৰ পৰ্যালোচনা কৰাৰ

লগতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহত আলোচনা কৰিব। বৈঠকৰ অন্তত কেইবাখনো চুক্তিত স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে যোৱা বৃহস্পতিবাৰে নতুন দিল্লীত উপস্থিত হয়। ইয়াৰ পূৰ্বে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰী ছুবিয়াণ্টোক আনুষ্ঠানিকভাৱে আদৰণি জনায়। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰি ৰাষ্ট্ৰপতি প্ৰব’ৱোই কয় যে ইণ্ডোনেছিয়াই ভাৰতক গুৰুত্বপূৰ্ণ মিত্ৰ দেশ হিচাপে বিবেচিত কৰে। তেওঁ লগতে ইণ্ডোনেছিয়াৰ স্বাধীনতাক চিহ্নিত কৰা ভাৰতেই প্ৰথম দেশ বুলি মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে দেশৰ ৭৬ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনোৱাৰ বাবে আনন্দ প্ৰকাশ কৰে। এই আনুষ্ঠানিক আদৰণিৰ পাছত শ্ৰী ছুবিয়াণ্টোই ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি তৰ্পন কৰে।

ooooo

সমগ্ৰ দেশতে আজি আয়োজিত পঞ্চদশ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূল কাৰ্যসূচীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানত আইন আৰু ন্যায় বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল সন্মানীয় অতিথি হিচাপে উপস্থিত থকাৰ লগতে মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু আন আন নিৰ্বাচন আয়ুক্তসকলেও অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে দেশত মুঠ ভোটদাতাৰ সংখ্যা প্ৰায় ১০০ কোটি হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱস বিশেষভাৱে পালন কৰা হৈছে। এই বছৰৰ ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মূলমন্ত্ৰ হৈছে **ভোটদানৰ দৰে একোৱেই নহয়, মই নিশ্চিতভাৱে ভোটদান কৰিম**।

ৰাষ্ট্ৰীয় ভোটদাতা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে প্ৰাণৱন্ত গণতন্ত্ৰ আৰু ভোটদানৰ জৰিয়তে প্ৰতিগৰাকী নাগৰিকে নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ উৎসৱ হিচাপে এই দিনটো উদ্‌যাপন কৰা হয়। ৰাষ্ট্ৰৰ ভৱিষ্যত নিৰ্মাণৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে দেখুৱাই অহা অনুকৰণীয় প্ৰচেষ্টাৰ শ্ৰীমোদীয়ে শলাগ লয়।

oooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চ সদন ছিনেটে পিট হেগছেথক আমেৰিকাৰ পৰৱৰ্তী প্ৰতিৰক্ষা সচিব হিচাপে নিযুক্তি দিছে ।ছিনেটত তেওঁৰ নিযুক্তিৰ

প্ৰস্তাৱৰ ভোটগ্ৰহণত ৫০–৫০ ভোট পৰাত উপ–ৰাষ্ট্ৰপতি জে ডি ভ্যান্সে ছিনেটৰ সভাপতি হিচাপে সমতা স্থাপন কৰাত হেগছেথ ৰ নিযুক্তি নিশ্চিত হয়। একাধিক অসৎ আচৰণৰ অভিযোগৰ ভিত্তিত ডেম'ক্ৰেট আৰু ৰিপাব্লিকান দলৰ একাংশ সদস্যই হেগছেথৰ মনোনয়নৰ তীব্ৰ বিৰোধিতা কৰিছিল ।ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ বাবে এয়া বৃহৎ জয় বুলি গণ্য কৰা হৈছে।পিট হেগছেথৰ বিৰূদ্ধে যৌন নিৰ্যাতনআৰু মদ্যপানৰ অভিযোগ আছে।

০০০০০

ইজৰাইল চৰকাৰে প্ৰকাশ কৰিছে যে হিজবুল্লাহৰ সৈতে যুদ্ধবিৰতি চুক্তিতৰ নিৰ্ধাৰিত ৬০ দিনৰ সময়সীমাৰ পাছতো ইজৰাইল বাহিনী দক্ষিণ লেবাননত থাকিব কাৰণ ইয়াৰ চৰ্তসমূহ সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱা নাই। ইজৰাইলৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এক বিবৃতিত কয় যে এই চুক্তি অনুসৰি লিটানি নদীৰ দক্ষিণে থকা অঞ্চলসমূহৰ পৰা হিজবুল্লাৰ অস্ত্ৰ–শস্ত্ৰ আৰু যুঁজাৰু বিমান আঁতৰাই পেলাব লাগিব। নৱেম্বৰৰ যুদ্ধবিৰতি চুক্তি অনুসৰি ইজৰাইল আৰু হিজবুল্লা দুয়োটা বাহিনীয়ে চলিত বৰ্ষৰ ২৬ জানুৱাৰীৰ ভিতৰত দক্ষিণ লেবাননৰ পৰা আঁতৰি আহিবলৈ সন্মত হৈছিল। অৱশ্যে এই অঞ্চলত এতিয়াও লেবাননৰ বাহিনী মোতায়েন হৈ আছে।

ইফালে বৃহস্পতিবাৰে হিজবুল্লাই সঁকিয়াই কৈছিল যে যদিহে দেওবাৰৰ পাছতো ইজৰাইলৰ সেনা লেবাননত থাকে তেন্তে ইয়াক শান্তি চুক্তিৰ নিৰ্লজ্জ উলংঘা বুলি গণ্য কৰা হব।

০০০০০

বিশিষ্ট লেখক তথা অৱসৰপ্ৰাপ্ত ন্যায়াধীশ নৰেন্দ্ৰ চাপালগাঁওকাৰৰ আজি ৮৮ বছৰ বয়সত মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজিনগৰত দেহাৱসান ঘটে।

মাৰাঠী শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰি চাপালগাঁওকাৰে পাছলৈ ৭০ৰ দশকত বীডত আইন চৰ্চা কৰিছিল। আশীৰ দশকত বম্বে উচ্চ ন্যায়ালয়ৰ ঔৰংগাবাদ বিচাৰপীঠত তেওঁ ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰে। ১৯৯৯ চনত অৱসৰ গ্ৰহণৰ পিছতো তেওঁ সাহিত্যৰ ক্ষেত্ৰখনত সক্ৰিয় হৈ আছিল।

অনন্ত ভলেৰাও-কাল আন কাৰ্তির্তু, কৰ্মযোগী সন্যাসী, কা হানি হায়দৰাবাদ লাধ্যাচী আদিকে ধৰি কেইবাখনো ত গ্ৰন্থ তেওঁ ৰচনা কৰিছিল। ৱৰ্ধাত অনুষ্ঠিত ৯৬ সংখ্যক সৰ্বভাৰতীয় সাহিত্য সন্মিলনকে ধৰি বহু সাহিত্য সন্মিলনৰ তেওঁ সভাপতিৰ আসন শুৱনি কৰিছিল।

আজি সন্ধিয়া ছত্ৰপতি সম্ভাজিনগৰত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

০০০০

# আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত অসম ৰাজ্যিক শিক্ষা পৰিষদৰ মণ্ডল এক আৰু দুইৰ পৰীক্ষা নিয়ন্ত্ৰক নয়নজ্যোতি শৰ্মা আৰু ৰঞ্জন কুমাৰ দাসৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। সমাগত হাইস্কুল

শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত হ'বলগীয়া এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহা কুম্ভমেলাত সমবেত দেশী-বিদেশী ভক্ত আৰু দৰ্শনাৰ্থীৰ বাবে আয়ুষ মন্ত্ৰালয়ে বিনামূলীয়া স্বাস্থ্যসেৱা আগবঢ়াইছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি মন্ত্ৰালয়ে বৰ্তমানলৈ ১ লাখ ২১ হাজাৰতকৈও অধিক লোকলৈ বিনামূলীয়া স্বাস্থ্যসেৱা আগবঢ়াইছে। এই উদ্দেশ্যে কুম্ভমেলা থলীত ৮০ জনীয়া চিকিৎসকৰ এটা দলে ২০টা কেন্দ্ৰৰ জৰিয়তে চিকিৎসা সেৱা প্ৰদান কৰিছে।

oooo

পুৰুষ হকী ইণ্ডিয়া লীগত আজি সন্ধিয়া তামিলনাডু ড্ৰেগনচে গণাচিকা দলৰ মুখামুখি হ'ব। আন এখন খেলত হাইদৰাবাদ তুফানচে ৰুৰকেল্লাত ইউ পি ৰুদ্ৰাছৰ বিৰুদ্ধে খেলিব। ইফালে মহিলাৰ হকী ইণ্ডিয়া লীগত কাইলৈ সন্ধিয়া ৰাচীত চুৰান্ত খিতাপৰ খেলত জে এচ ডব্লিউ চুৰ্মা হকী ক্লাবে উৰিষা ৱাৰিঅৰ্চৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।